(ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ) এদিনাখন মই খোজকাঢ়ি আছিলোঁ , হঠাৎ আকাশৰ পৰা এটা শব্দ শুনা পালোঁ , ফলত মই ওপৰৰ ফালে দৃষ্টিপাত কৰিলোঁ। দেখিলোঁ , সেইজন ফিৰিস্তা যিজন হিৰা গুহাত মোৰ ওচৰলৈ আহিছিল।

আবূ ছালামা ইবনু আব্দিৰ ৰহমানে বৰ্ণনা কৰিছে যে , জাবিৰ ইবনে আব্দিল্লাহ আল -আনচাৰী ৰাদ্বিয়াল্লাহু ‘আনহুমাই অহী বন্ধ থকা সময়ছোৱাৰ ঘটনা বৰ্ণনা কৰি কৈছে যে , "(ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ) এদিনাখন মই খোজকাঢ়ি আছিলোঁ , হঠাৎ আকাশৰ পৰা এটা শব্দ শুনা পালোঁ , ফলত মই ওপৰৰ ফালে দৃষ্টিপাত কৰিলোঁ। দেখিলোঁ , সেইজন ফিৰিস্তা যিজন হিৰা গুহাত মোৰ ওচৰলৈ আহিছিল। তেওঁ আকাশ আৰু পৃথিৱীৰ মধ্যৱৰ্তী ঠাইত এখন আসনত বহি আছে। তেওঁক দেখি মই শংকিত হ'লোঁ। তৎক্ষণাত মই তাৰ পৰা (ঘৰলৈ) গুচি আহি ক'লোঁ ◌ঃ মোক চাদৰ জাপি দিয়া। এই ঘটনাৰ পিছত মহান আল্লাহে অৱতীৰ্ণ কৰিলেঃ {يَا أَيُّهَا الْمُدَّثِّرُ1 قُمْ فَأَنْذِرْ} ৰ পৰা {وَالرُّجْزَ فَاهْجُرْ} লৈকে। (ছুৰা মুদ্দাচ্ছিৰঃ ১ - ৫) ইয়াৰ পাছত অহীৰ ধাৰাবাহিকতা পূৰ্ণাংগৰূপে আৰম্ভ হয়। "

[ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম })]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত জনাইছে যে , নুবুওৱতৰ প্ৰথম সময়ছোৱাত যেতিয়া অহী বন্ধ হৈছিল তেতিয়াৰ কথা তেখেতে বৰ্ণনা কৰি কৈছে যে , এদিন মই খোজকাঢ়ি আছিলোঁ , হঠাৎ আকাশৰ পৰা এটা শব্দ শুনা পালোঁ , লগে লগে মই ওপৰৰ ফালে দৃষ্টিপাত কৰিলোঁ , দেখা পালোঁ যে , ফিৰিস্তা জিব্ৰীল যিজন গাৰে হিৰাত মোৰ ওচৰলৈ আহিছিল , তেওঁ আকাশ আৰু পৃথিৱীৰ মধ্যৱৰ্তী ঠাইত চকীত বহি আছে , মই তেওঁক দেখি ভীত -সন্ত্ৰস্ত তথা আতংকিত হৈ পৰিলোঁ। ইয়াৰ পিছত মই ঘৰলৈ উভতি গৈ মোৰ স্ত্ৰীক ক 'লোঁ , মোক কাপোৰেৰে মেৰিয়াই দিয়া। ইয়াৰ পিছত মহান আল্লাহে অৱতীৰ্ণ কৰিলেঃ {يَـا أَيُّهَـا الْمُـدَّثِّرُ} হে বস্ত্ৰাবৃত ! {قُـمْ} দাৱাত দিবলৈ সাজু হওক, {فَأَنْــذِرْ} আৰু সতৰ্ক কৰক সেইসকল লোকক, যিসকলে আপোনাৰ ৰিছালতৰ প্ৰতি ঈমান পোষণ নকৰে। {وَرَبَّـــكَ} আৰু আপোনাৰ উপাস্য তথা প্ৰতিপালকৰ {فَكَـــبِّرْ} শ্ৰেষ্ঠত্ব ঘোষণা কৰক আৰু প্ৰশংসা কৰক। {وَثِيَابَــكَ} আৰু আপোনাৰ পোছাক-পৰিচ্ছদ {فَطَهِّــرْ} ময়লা-আৱৰ্জনা তথা অপৱিত্ৰতাৰ পৰা পৱিত্ৰ ৰাখক , {وَالرُّجْـــزَ} আৰু মূৰ্তি -প্ৰতিমা আদি অপৱিত্ৰতা (শ্বিৰ্ক) {فَــاهْجُرْ} পৰিহাৰ কৰা। ইয়াৰ পিছত অহীৰ প্ৰক্ৰিয়া শক্তিশালী হয় উঠে আৰু বৃদ্ধি হয়।

http://www.sunnah.global/hadeeth/as/show/66304